
# কৰাপাট

স্মৃতিগ্ৰন্থ, সোণালী জয়ন্তী বৰ্ষ ২০১৭-১৮
সঙ্গীত সত্ৰ, গুৱাহাটী




সম্পাদক
হেমন্ত কুমাৰ ডেকা


Laying of foundation stone for Sangeet Sattra permanent building by Ex Chief Minister of Assam late Hiteswar Saikia on 13th June,1995






Receiving of Sangeet Nata
Akademi Award by late
Rasheswar Saikia Borbaya
for the year 1980 from
Kamala Devi Chattopodha

Inauguration of the Statue of Sangeet Natak Akademi Awardee and Founder Principal of Sangeet Sattra late Rasheswar Saikia Borbayan by Dr. Birendra Nath Dutta on 13th June 2017




# কৰাপাট

## স্মৃতিগ্ৰন্থ

সোণালী জয়ন্তী বৰ্ষ, ২০১৭-১৮

সংগীত সত্ৰ, গুৱাহাটী



তাৰিখ ঃ ৮, ৯ আৰু ১০ জুলাই, ২০১৭


সম্পাদক

হেমন্ত কুমাৰ ডেকা

**KARAPAT**
a souvenir published by 'Sangeet Sattra', Guwahati,
on the occasion of Golden Jubilee Opening Ceremony Celebration
on 8th, 9th and 10th July, 2017

# কৰাপাট

স্মৃতিগ্ৰন্থ ঃ সোণালী জয়ন্তী বৰ্ষ, ২০১৭-১৮
সংগীত সত্ৰ, গুৱাহাটী





## স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

*সভাপতি*
**শ্ৰীযুত ৰঞ্জিত দেৱগোস্বামী**
*সম্পাদক*
**হেমন্ত কুমাৰ ডেকা**
*সহঃ সম্পাদক*
**গোপাল চন্দ্ৰ বৰদলৈ**
*সদস্য*
**দীপালী তালুকদাৰ**
**হৃষীকেশ দত্ত**

*বেটুপাত আৰু অলংকৰণ*
**হেমন্ত কুমাৰ ডেকা**

*প্ৰকাশ*
**৮ জুলাই, ২০১৭**


*মুদ্ৰণ*
**কালাৰপ্লাছ,** ৰাজগড় ৰোড, গুৱাহাটী-৩
ফোন ঃ ৯৮৬৪০ ৩৩৫২৯



## সশ্রদ্ধ সোঁৱৰণ

*যিসকল শ্ৰদ্ধেয় ব্যক্তিৰ*
*প্ৰচেষ্টা, নিষ্ঠা আৰু*
*পৰিশ্ৰমৰ বাবে 'সঙ্গীত*
*সত্ৰ'ই বাট কাটি কাটি*
*আজি সোণালী জয়ন্তী বৰ্ষত*
*খোজ দিছে, তেখেতসকলক*
*আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।*

—সংগীত সত্ৰ পৰিয়াল



# কৃতজ্ঞতা


যিসকল ব্যক্তিয়ে আমাৰ অনুৰোধৰ প্ৰতি সহাৰি জনাই 'কৰাপাট'লৈ লিখনিসমূহ প্ৰেৰণ কৰি স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰাত আমাক সহায় কৰিলে। আমাৰ আন্তৰিক কৃতজ্ঞতা জনালো তেখেতসকললৈ যিসকল ব্যক্তিয়ে স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰি ৰাইজৰ মাজলৈ উলিয়াই দিয়াৰ ক্ষেত্ৰত পৰামৰ্শ আৰু সহায়-সহযোগেৰে আমাক উপকৃত কৰিলে আৰু আমি কৃতজ্ঞ হৈ ৰ'লো— যিসকল ব্যক্তি আৰু অনুষ্ঠানে আমাক সোণালী জয়ন্তী বৰ্ষ শুভাৰম্ভণি অনুষ্ঠানটো আৰু স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰাত দান-বৰঙণিৰে সহায় আগবঢ়ালে।

স্মৃতিগ্ৰন্থখন সুন্দৰকৈ সজাই-পৰাই ছপা কৰি ৰাইজৰ মাজলৈ উলিয়াই দিয়াৰ বাবে 'কালাৰপ্লাছ' প্ৰেছৰ স্বত্বাধিকাৰী আৰু প্ৰতিষ্ঠানটোৰ সমূহ কৰ্মচাৰীলৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

*'সঙ্গীত সত্ৰ' পৰিয়ালৰ হৈ—*
সম্পাদক, **কৰাপাট**, গুৱাহাটী

GOVERNOR
ASSAM

RAJ BHAVAN
GUWAHATI



## MESSAGE

I am happy to know that Bayanor School later renamed as Sangeet Sattra has completed 50 years of its glorious existence and is celebrating Golden Jubilee Year with a host of programmes beginning on July 8, 2017. A commemorative souvenir is being published synchronising with the occasion.

It's matter of pleasure that Sangeet Sattra since its existence has been working to promote and popularise Sattriya Dance, Drama, Music, Borgeet and Khol and enabled them to transcend all boundaries.

My best wishes to Sangeet Sattra for all success in its future endeavour. Hope the commemorative souvenir to be published on the occasion presents an account of the glorious history of the Sattra.


(Banwarilal Purohit)
Governor of Assam

**Dated: June 28, 2017**

**Shekhar Sen**
CHAIRMAN

संगीत नाटक अकादेमी
**Sangeet Natak Akademi**
NATIONAL ACADEMY OF MUSIC, DANCE AND DRAMA

Rabindra Bhavan, Feroze Shah Road, New Delhi 110 001
Phone: 23386648 (D), 23387246-8 (EPABX). Telefax: 23381621
E-mail: mail@sangeetnatak.gov.in
chairman@sangeetnatak.gov.in
Website: www.sangeetnatak.gov.in



## MESSAGE

I am happy to know that Sangeet Sattra, Guwahati is celebrating the Golden Jubilee of its existence by organizing a three-day long festival from 8-10 July 2017 at Guwahati. Celebrating 50 years of its existence is an important milestone for any institution.

On this occasion, I pay my heartfelt tribute to Shrimanta Shankaradeva and Shri Madhab Deva, and also pay my tribute to late Roseswar Saikia Barbayan, Sangeet Natak Akademi Awardee, who had established this premier institute. It is also a matter of joy that Sangeet Sattra has been involved in spreading and imparting training of Sattriya dance amongst the youth in the capital city of Assam.

I extend my warm greetings and felicitations to the organizers and the participants and wish the Golden Jubilee celebration all success.

SHEKHAR SEN

Phone : 2571130
2602890

# সদৌ অসম ছাত্ৰ সন্থা
# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

*প্ৰসংগ ঃ*

*দিনাংক* ০৩/০৭/২০১৭



## শুভেচ্ছা

গুৱাহাটী মহানগৰীৰ চান্দমাৰিত ১৯৬৭ চনত স্থাপিত সঙ্গীত সত্ৰ বিদ্যালয়খনৰ সোণালী জয়ন্তী উৎসৱ অহা ৮, ৯ আৰু ১০ জুলাই, ২০১৭ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ লগতে অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন স্মৰণিকা প্ৰকাশৰ যো-জা কৰা বুলি জানি আনন্দিত হ'লো।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ভাল শিক্ষা, ভাল শিক্ষানুষ্ঠান আৰু উপযুক্ত সংস্থাপনৰ প্ৰয়োজন।

অসমৰ খিলঞ্জীয়া মানুহৰ পৰিচয় ৰক্ষাৰ মূল বিষয়টোৰ লগতে এটা পৰিকল্পিত সাংস্কৃতিক আৰু অৰ্থনৈতিক পদক্ষেপেহে অসমৰ জাতীয় জীৱনক বলিষ্ঠভাৱে আগুৱাই নিব পাৰিব।

বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে নিৰৱিছিন্ন অধ্যয়নৰ জৰিয়তে সত্ৰীয়া সংস্কৃতিৰ দিশত আগবাঢ়ি যাব বুলি আশা কৰাৰ লগতে বিদ্যালয়খনৰ শিক্ষকসকললৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ শুভেচ্ছা জনালোঁ।

(ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য)
*উপদেষ্টা*
সদৌ অসম ছাত্ৰ সন্থা



# সম্পাদকৰ মনৰ কথা...

সংস্কৃতিয়ে মানৱ জাতিৰ চিন্তা কৰ্ম সকলোকে সামৰি লয়। সংস্কৃতি পৰিবৰ্তশীল আৰু ই ন ন সৃষ্টিৰ প্ৰেৰণা যোগায়। সংস্কৃতি মানৱ জাতিৰ দাপোনৰ দৰে কাম কৰে। মানুহৰ চিন্তা, জীৱন নিৰ্বাহৰ পদ্ধতি, জীৱনৰ মানসিক স্তৰ ইত্যাদি কথাবিলাক সংস্কৃতিৰ পৰা বুজিব পাৰি। ই কেবল বিদ্যাৰ আহৰণ নহয়, সেই বিদ্যাৰ ই ব্যৱহাৰো। মানুহৰ ক্ৰমবিকাশৰ ইতিহাসেই মানুহৰ ৰূপান্তৰিত ইতিহাস। একোটা যুগত একোজন মহাপুৰুষে জন্ম লাভ কৰি জাতীয় সংস্কৃতি মহীয়ান কৰি থৈ যায়। পঞ্চদশ-ষোড়শ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত যি নৱ বৈষ্ণৱ ধৰ্মৰ সোত বোৱালে তাৰ ফলত অসমৰ জাতীয় জীৱনত এক পৰিৱৰ্তনৰ সূচনা হ'ল। ভক্তি ধৰ্মক কেন্দ্ৰ কৰি অসমৰ ধৰ্ম, সমাজ, সাহিত্য, কলা আদি বিভিন্ন ক্ষেত্ৰত মহাপুৰুষজনাই যি বহুমুখী দিশ উন্মোচন কৰিলে তাৰ ফলত অসমত এক নতুন যুগৰ সূচনা হ'ল, যাক শংকৰী যুগ বুলি অভিহিত কৰা হৈছে। অসমৰ সমাজখনৰ ধৰ্মজীৱন, সামাজিক জীৱন, সাহিত্য, সংগীত আদি সংস্কৃতিৰ ঘাই উপাদানবোৰৰ ওপৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰভাৱ অপৰিসীম। এই শঙ্কৰী সংস্কৃতিয়েই অসমীয়া সংস্কৃতিৰ বৰঘৰ পোহৰ কৰিছে আৰু ইয়াকে লৈ আমি গৌৰাবান্বিত। মহাপুৰুষজনাই ভাগৱত পুৰাণৰ পৰা সৎসঙ্গ, গীতাৰ পৰা একশৰণ আৰু পদ্মপুৰাণৰ সহস্ৰ নামখণ্ডৰ পৰা নামধৰ্ম লৈ অসম, কামৰূপ আৰু কোচবিহাৰত যি ভক্তিধৰ্ম আৰু একশৰণ নামধৰ্ম প্ৰচাৰ কৰিলে তাৰ ফলত নানা ধৰ্ম, আচাৰ পদ্ধতি, ভিন ভিন জাতি-উপজাতি আৰু ভাষা আদিৰে বহুধা বিভক্ত হৈ থকা অসমৰ জনগনক এডাল ডোলেৰে বান্ধি বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰম্ভ কৰিলে। মহাপুৰুষজনাই স্থাপন কৰি থৈ যোৱা সত্ৰ আৰু নামঘৰে যিদৰে জাতীয় ঐক্য স্থাপন কৰিছে, সেইদৰে জনগনৰ কলাসুলভ জীৱন চেতনাৰ সঞ্চাৰ কৰি জাতীয় জীৱনত সঞ্জীৱনী সুধা ঢালিছে। নামঘৰে সুস্থিৰ প্ৰগতিমূলক সামাজিক জীৱনৰ স্বাক্ষৰ বহন কৰে। মহাপুৰুষজনাই কিদৰে নৃত্য-গীত আৰু সংলাপেৰে

নাটবোৰ সম্পূৰ্ণ কৰিলে, সেইদৰে নামঘৰ স্থাপনেৰে তেৰাই অসমীয়া জাতিৰ ৰঙ্গমঞ্চ বা ভাওনা ঘৰ পাতিলে। ভাওনাৰ লগত সম্বন্ধ থকা গায়ন-বায়ন, ঢুলীয়া, খুলীয়া, নটুৱা, সূত্ৰধাৰ আদিৰ বাছনিৰ ক্ষেত্ৰত পাৰ্গত লোকসকলকহে বিষয়বাব দিয়া হৈছিল আৰু এনেদৰে অসমৰ সত্ৰ আৰু সত্ৰৰ নামঘৰে অসমৰ প্ৰাচীন কলা কৃষ্টি ৰক্ষা কৰি আহিছে। যিহেতু সংস্কৃতিৰ ধাৰণা মনলৈ অহাৰ লগে লগে সমাজৰ ধাৰণাও মনলৈ আহে, সেয়েহে এনেকুৱা এক মহান ধাৰণা লৈয়ে ১৯৬৭ চনত কমলাবাৰী সত্ৰৰ শ্ৰদ্ধেয় বৰবায়ন ৰসেশ্বৰ শইকীয়াদেৱে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰৰ বাবে সত্ৰৰ পৰা ওলাই আহে আৰু এক মহৎ উদ্দেশ্যৰে বিশিষ্ট চিন্তাশীল, কলাকাৰ, কলাপ্ৰেমী প্ৰয়াত ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, শ্ৰীযুত বীৰেন্দ্ৰ নাথ দত্ত, নিৰ্মলপ্ৰভা বৰদলৈ, অপূৰ্ব দাস, খগেন মহন্ত, ননী বৰুৱা, নবীন বৰা, মীনা বৰুৱা, নিকুঞ্জলতা মহন্ত, আদিৰ প্ৰচেষ্টাত জন্ম হয় 'বায়নৰ স্কুল'। ১৯৬৮ চনত পুনৰ প্ৰয়াত শ্ৰদ্ধেয় মহেশ্বৰ নেওগ, প্ৰফুল্ল দত্ত গোস্বামী, ভগবান চন্দ্ৰ লহকৰ আদি বিশিষ্ট ব্যক্তিসকলে বিশেষ কাৰ্যপন্থা যুগুতাই অনুষ্ঠানটিৰ নাম 'সঙ্গীত সত্ৰ'লৈ সলনি কৰে। মাত্ৰ সাতজন ল'ৰা-ছোৱালীৰে আৰম্ভ হোৱা সেই সঙ্গীত সত্ৰৰ শিক্ষাৰ্থীৰ আজি লেখ-জোখ নাই। পঞ্চাশ বছৰীয়া বৰ্ণিল জয়যাত্ৰাৰে আজি গোটেই অসমত সঙ্গীত সত্ৰই এক সুকীয়া পৰিচয় বহন কৰিছে। গুৰুজনাৰ অমৰ সৃষ্টিৰ সত্ৰীয়া নৃত্য-গীতৰ উপৰিও গায়ন আৰু বায়নৰ পৰিশিলীত এই একক যাত্ৰাই অসমীয়া সমাজৰ সাংস্কৃতিক জয়যাত্ৰাক এক অনন্য মাত্ৰা দিছে। সমাজখনৰ বাবে এইয়া বৰ আশাব্যঞ্জক কথা।

জন্ম যন্ত্ৰণাৰ পৰা বিভিন্ন বাধা অতিক্ৰমি সঙ্গীত সত্ৰলৈ বহুতো জ্ঞানী গুনী ব্যক্তিয়ে প্ৰভূত সহায় আগবঢ়াই 'সঙ্গীত সত্ৰক' আজিৰ এই অৱস্থাত থিয় কৰোৱা প্ৰতিগৰাকী ব্যক্তিৰ ত্যাগ আৰু কষ্টক আজি আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। তাৰ ভিতৰত বহুকেইগৰাকী নমস্য ব্যক্তি আজিৰ এই সোণালী জয়ন্তী উৎসৱত যোগ দিবলৈ ইহসংসাৰত নাই। তথাপি এই পবিত্ৰ ক্ষণত তেওঁলোকৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানক প্ৰাৰ্থনা জনালোঁ। সোণালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থখনৰ বাবে সম্পাদকৰ দৰে এক গুৰু দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছিল। ইয়াত ভুল-ক্ৰটি ৰৈ যোৱাটো স্বাভাৱিক। সকলো ভুল-ক্ৰটিৰ বাবে বিনয়েৰে মাৰ্জনা বিচাৰিছো। এই চেগতে 'সঙ্গীত সত্ৰ'ৰ বিষয়ববীয়া আৰু স্মৃতিগ্ৰন্থখনিৰ সকলো লেখক লেখিকালৈ ধন্যবাদ আৰু মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ। কালাৰপ্লাছ ছপাশালৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দলৈও শলাগ যাচিলো।

সংগীত সত্ৰ জগত সভালৈ যাওক তাৰেই কামনাৰে—

**হেমন্ত কুমাৰ ডেকা**
সম্পাদক, কৰাপাট
স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি
সোণালী জয়ন্তী উদ্‌যাপন, সঙ্গীত সত্ৰ, গুৱাহাটী

# সূচীপত্ৰ


- অসমত ধ্ৰুপদী নৃত্যৰ ঐতিহ্য আৰু সত্ৰীয়া নৃত্য ড° মহেশ্বৰ নেওগ/১১
- বিবৰ্ত্তনত সত্ৰীয়া নৃত্য বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য/১৫
- সংগীত সত্ৰ গুৱাহাটী আৰু ইয়াৰ সেৱা যোগেশ দাস/২০
- সঙ্গীত-সত্ৰৰ উৎপত্তিকালৰ জিলিঙনি কেশৱ মহন্ত/২৩
- সঙ্গীত-সত্ৰৰ আৰম্ভণী আৰু শিক্ষাদান কথা ৰসেশ্বৰ শইকীয়া/২৫
- **Bargits of Assam: An introduction Dr Birendranath Datta/২৯**
- অসমৰ সত্ৰীয়া নৃত্য ঃ ইয়াৰ সৰ্বভাৰতীয় স্বীকৃতিপ্ৰাপ্তিত প্ৰয়াত ৰসেশ্বৰ শইকীয়াৰ ভূমিকা ভৰত শইকীয়া/৩৩
- **The memories of Sangeet Sattra Swapnanil Barua/৩৯**
- সঙ্গীত সত্ৰ ঃ এক অবিৰত যাত্ৰা ড° ঘনশ্যাম নাথ/৪২
- সংগীত সত্ৰৰ পাঠ্যক্ৰম আৰু ইয়াৰ পৰ্যালোচনা গোপাল চন্দ্ৰ বৰদলৈ/৪৪
- **Sangeet Sattra through my eyes Anita Sharma/৪৮**
- **Sattriya Culture and the Contribution of SANGEET SATTRA Surajit Bhuyan/৫০**
- অসমীয়া সংস্কৃতিৰ ঐতিহ্য আৰু সংগীত সত্ৰ ড° উৎপল শৰ্মা/৫৩
- **Walking down the memory lane Ranjumoni Saikia/৫৬**
- **Tribute to my 'Guru' Jollymoni Saikia Mahanta/৫৭**
- **As jotted down from the heart of the principal Rinjumoni Saikia/৫৮**
- সংগীত সত্ৰ পৰিচালনা সমিতি ৬০
- প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী ৬১
- বৰ্তমানৰ পৰীক্ষা নিয়ন্ত্ৰণ কমিটি ৬১
- চি চি আৰ টি প্ৰাপ্তসকল ৬১
- সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কমিটি ৬২